# <u>প্ৰেছ বাৰ্তা</u>

**গুৱাহাটী, ২৯ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা মঃ তৈয়বুল্লাহ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা 'সৰ্বভাৰতীয় আৰক্ষী হকী প্ৰতিযোগিতা'ত আই টি বি পি দলে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত আই টি বি পি দলে মহাৰাষ্ট্ৰ পুলিচ দলক টাই ব্ৰেকাৰত ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, প্ৰতিযোগিতাত তৃতীয় স্থান অধিকাৰ কৰে চি আৰ পি এফ দলে। চি আৰ পি এফ দলে বি এছ্ এফ দলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ বৰ্ণাঢ্য সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰি অসমৰ মুখ্য সচিব ভি কে পিপাৰচেনিয়াই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী সকলো দলৰ লগতে প্ৰতিযোগিতাত স্থান লাভ কৰা দলসমূহক অভিনন্দন জ্ঞাপন কৰে। ভাষণ প্ৰসঙ্গত মুখ্য সচিবগৰাকীয়ে এই প্ৰতিযোগিতা অসমত অনুষ্ঠিত কৰাৰ বাবে "সৰ্বভাৰতীয় আৰক্ষী ক্ৰীড়া ক'ণ্ট্ৰল বৰ্ড"ৰ প্ৰতিও ধন্যবাদ জ্ঞাপন কৰে। মুখ্য সচিবগৰাকীয়ে বিজয়ী আৰু ৰাণাৰ্ছআপ্ দল দুটাক বঁটা প্ৰদান কৰি প্ৰতিযোগিতাখনি অতি সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে অসম আৰক্ষীৰ শলাগ লয়। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় আৰক্ষী সঞ্চালকপ্ৰধান মুকেশ সাহায়ে। "সৰ্বভাৰতীয় আৰক্ষী ক্ৰীড়া ক'ণ্ট্ৰল বৰ্ড"ৰ সচিব পি কে ভৰদ্বাজেও অনুষ্ঠানত ভাষণ দিয়ে। আনহাতে, প্ৰতিযোগিতাৰ "শ্ৰেষ্ঠ খেলুৱৈ"ৰ সন্মান অৰ্জন কৰে আই টি বি পি দলৰ এম চি মিট্টেই-এ। তেওঁক এখন মটৰ চাইকেল পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। প্ৰতিযোগিতাৰ 'শৃংখলাবদ্ধ দল'ৰ সন্মান লাভ কৰে অসম দলে। অনুষ্ঠানত এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

**চি পি আৰ অ'**
**অসম আৰক্ষী**